**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে।
২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব।
৩। ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ২০২৪ বৰ্ষত ১০ শতাংশ বৃদ্ধি হৈছে।
৪। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত ভাৰতীয় দূৰ সংযোগ সেৱাৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত আজিৰেপৰা কলকাতাত অনুষ্ঠিত প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ১৪৪ ৰান সংগ্ৰহ কৰিছে।

ooooooooo

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে। এন ডি এ সম্প্ৰতি ১৯৮ খন আসনত আগবাঢ়ি আছে। ৰাজ্যখনৰ প্ৰায়বোৰ সমষ্টিতে আৰ জে ডি নেতৃত্বাধীন মহাজোঁটবন্ধন এন ডি এতকৈ পিছপৰি আছে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা **প্ৰশান্ত কিশোৰৰ জন সুৰয পাৰ্টী**ৰ প্ৰদৰ্শন শোচনীয় দেখা গৈছে। ৰাজ্যখনৰ মুঠ ২৪৩খন আসনৰ ভিতৰত বিজেপিয়ে ৮৯, জে ডি ইউৱে ৭৯, এল জে পি (আৰ ভি)-এ ২১, এইচ এ এমে ৪, আৰ জে ডিয়ে ৩২, কংগ্ৰেছে ৪ আৰু অন্যান্য দলসমূহে ১৮ খন আসনত অগ্ৰগতি লাভ কৰিছে। উপ-মুখ্যমন্ত্ৰীদ্বয় তথা বিজেপিৰ প্ৰাৰ্থী বিজয় কুমাৰ সিন্‌হা আৰু সম্ৰাট চৌধুৰীয়ে নিজ নিজ সমষ্টিত আগবাঢ়ি আছে। একেদৰে বিজেপিৰ মৈথিলী ঠাকুৰে আলিনগৰ সমষ্টিত আৰু চিৱান সমষ্টিত বিজেপিৰ নেতা মংগল পাণ্ডে আগবাঢ়ি আছে। আৰ জে ডিৰ তেজস্বী প্ৰসাদ যাদৱ ৰঘুপুৰ সমষ্টিত বিজেপিৰ সতীশ কুমাৰতকৈ আগবাঢ়ি আছে। জ্যেষ্ঠ বিজেপি নেতা ডঃ প্ৰেম কুমাৰ গঞ্জা টাউনত আগবাঢ়ি আছে।

শাসনাধিষ্ঠিত এন ডি এই বিৰোধী মহাজোঁট বন্ধনতকৈ বৃহৎ ব্যৱধানত আগবাঢ়ি থকাৰ পৰিপ্ৰেক্ষিতত জে ডি ইউৰ সমৰ্থকসকল পাটনাৰ দলীয় কাৰ্যালয়ত ইতিমধ্যে বিজয় উদযাপনৰ বাবে সাজু হৈছে।

ৰাজ্যখনত পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হৈছে আৰু সন্ধিয়াৰ আগতে সকলোবোৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ চুৰাটত নিৰ্মাণৰত বুলেট ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি মুম্বাই-আহমেদাবাদ সংযোগী তীব্ৰ বেগী ৰে'ল কৰিড'ৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। ইয়াৰ পাছত শ্ৰী মোদীয়ে নৰ্মদা জিলাৰ দেৱমোগ্ৰা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰিব। তেওঁ লগতে ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডেডিয়াপাৰাত আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে ৯ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান আৰু ধৰ্তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত ১ লাখ গৃহ প্ৰৱেশ অনুষ্ঠানতো অংশ ল'ব।

ooooooooo

ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ২০২৩ বৰ্ষৰ তুলনাত ২০২৪ বৰ্ষত ১০ শতাংশ বৃদ্ধি হৈছে। ২০২৪ বৰ্ষত সামগ্ৰী আৰু সেৱা খণ্ডত দুহেজাৰ ৩০০ কোটি ডলাৰ অতিক্ৰম কৰাৰ লগতে বাণিজ্যিক খণ্ডত ৮০০ কোটি ডলাৰলৈ বৃদ্ধি হৈছে। কেন্দ্ৰীয়

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে এই সন্দৰ্ভত কয়, যে ভাৰত আৰু কানাডাৰ ভালেমান গুৰুত্বপূৰ্ণ খণ্ডত শক্তিশালী সম্পৰ্ক আছে, যিসমূহে বহনক্ষম বিকাশ, উদ্ভাৱন আৰু বাণিজ্যৰ বাবে নতুন সুযোগ সৃষ্টিত অৰিহণা যোগায়। উল্লেখযোগ্য যে কানাডাৰ ৰপ্তানি সংবৰ্ধন, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অৰ্থনৈতিক উন্নয়ন দপ্তৰৰ মন্ত্ৰীয়ে যোৱা ১১ নৱেম্বৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ভাৰত ভ্ৰমণ কৰে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত ভাৰতীয় দূৰ সংযোগ সেৱাৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰতীয় দূৰসংযোগ সেৱাৰ ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি আয়োজিত এই অনুষ্ঠানত দূৰ সংযোগ ক্ষেত্ৰৰ বিকাশত বিভাগটোৰ অৱদানৰ বিষয়ে আলোকপাত কৰা হ'ব। ১৯৬৫ চনত ভাৰতীয় দূৰসংযোগ সেৱা গঠন কৰা হৈছিল। দূৰসংযোগ খণ্ডৰ সৈতে জড়িত বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ প্ৰযুক্তি আৰু ব্যৱস্থাপনা বিষয়ক আৱশ্যকতা পূৰণ কৰাৰ উদ্দেশ্যে এই সেৱা গঠন কৰা হৈছিল।

০০০০০

লেবাননৰ ৰাজধানী বেইৰুট চহৰৰ লেবানিজ নেচনেল থিয়েটাৰত ভাৰতীয় দূতাবাসে আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱত ২০০ ৰো অধিক লোকে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত অংশ লৈ লেবাননত থকা ভাৰতীয় ৰাষ্ট্ৰদূত নুৰ ৰহমান শ্বেইখে গীতা মহোৎসৱৰ গুৰুত্বত আলোকপাত কৰে। তেওঁ কয়, যে ইউনেস্ক'ৰ বিশ্ব স্মৃতি পঞ্জীয়নত চলিত বৰ্ষৰ এপ্ৰিলত ভাগৱত গীতাৰ নাম অন্তৰ্ভুক্ত হৈছিল। ভাগৱত গীতাই শতিকাজুৰি মানৱ সভ্যতাক দিক্ দৰ্শন কৰাৰ উপৰি ইয়াত সন্নিবিষ্ট জ্ঞান, দয়া আৰু সহানুভূতিৰ বাৰ্তাই সমগ্ৰ বিশ্বকে অনুপ্ৰাণিত কৰি আহিছে। অনুষ্ঠানত প্ৰবাসী ভাৰতীয় আৰু দূতাবাসৰ সদস্যসকলে গীতাৰ সাৰগৰ্ভ কথাৰ লগতে বহু শ্লোক পাঠ কৰে। বেইৰুটৰ আমেৰিকা বিশ্ববিদ্যালয়ৰ অধ্যাপক দিগম্বৰ পাত্ৰ আৰু লেবানিজ যোগ প্ৰশিক্ষক ডনিয়া নিজ্জাৰে অনুষ্ঠানত মানুহৰ জীৱনত গীতাৰ প্ৰাসংগিকতা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে উল্লেখ কৰা মতে এইবছৰ ভাৰত আৰু লেবাননৰ মাজৰ ঐতিহাসিক বন্ধুত্বপূৰ্ণ কূটনৈতিক সম্পৰ্কই ৭১ বছৰ সম্পূৰ্ণ কৰিলে।

০০০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰেপৰা ৪৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা IITF অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ ৰাজ্যমন্ত্ৰী জিতিন প্ৰচণ্ডই এই বাণিজ্য মেলা উদ্বোধন কৰিব। এইবাৰৰ এই মেলাৰ বিষয়বস্তু হৈছে— **এক ভাৰত, শ্ৰেষ্ঠ ভাৰত**। উত্তৰ প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু বিহাৰ হৈছে এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাৰ অংশীদাৰী ৰাজ্য আৰু এইবাৰ ঝাৰখণ্ডৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হ'ব। ১৪ দিনীয়া আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, চীন, ইৰান, দক্ষিণ কোৰিয়া আৰু ইজিপ্তে অংশগ্ৰহণ কৰিব। প্ৰায় ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে ৬০টাৰো অধিক মন্ত্ৰালয়ে এই মেলাত ভাগ ল'ব। মেলা অনুষ্ঠিত হোৱাৰ সময়ত দৰ্শনাৰ্থীৰ সুবিধা হোৱাকৈ ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

পশ্চিমবংগসহ উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ মাদকদ্ৰব্য নিবাৰণী কাৰ্যবাহিনীৰ মুৰব্বীসকলৰ প্ৰথমখন আঞ্চলিক সন্মিলন নাগালেণ্ডৰ আৰক্ষী চৌহদৰ চুমৌকিদিমাত অনুষ্ঠিত হৈছে। নাগালেণ্ড আৰক্ষীয়ে মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যু'ৰৰ সহযোগত এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। নিচামুক্ত ভাৰত অভিযানৰ অধীনত আয়োজিত এই সন্মিলনত মাদকদ্ৰব্যৰ যোগান নিয়ন্ত্ৰণ, বলৱৎকৰণ আৰু নিচামুক্তি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সন্মিলনত অংশগ্ৰহণ কৰি নাগালেণ্ডৰ আৰক্ষী সঞ্চালক প্ৰধান ৰুপীন শৰ্মাই মাদকদ্ৰব্য বিৰোধী যুঁজৰ দিশৰ পৰা উত্তৰ-পূৰ্বাঞ্চলক গুৰুত্বপূৰ্ণ এলেকা বুলি অভিহিত কৰে আৰু ৰাজ্য কেইখনে সন্মুখীন হোৱা সুকীয়া প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰে। ১৯৮৫ চনৰ মাদকদ্ৰব্য অধিনিয়মৰ সংশোধন আৰু উত্তৰ-পূৰ্বাঞ্চল মাদকদ্ৰব্য সৰবৰাহ প্ৰতিৰোধী সংস্থা গঠনসহ ভালেমান নীতিগত সংস্কাৰৰ বাবে তেওঁ আহ্বান জনায়। সন্মিলনত মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যু'ৰ, সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয় আৰু পশ্চিমবংগসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ আৰক্ষী বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিঅ' গুটেৰছক সাক্ষাৎ কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে শেহতীয়া গোলকীয় ব্যৱস্থা আৰু বহুপক্ষীয়বাদৰ বাবে সচিবপ্ৰধানগৰাকীৰ মূল্যায়নক গুৰুত্ব দিয়ে। বিভিন্ন স্থানীয় সমস্যা সন্দৰ্ভত সচিবপ্ৰধানগৰাকীৰ দৃষ্টিভংগীৰো তেওঁ শলাগ লয়। ভাৰতৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত সচিবপ্ৰধানগৰাকীয়ে ভাৰতৰ প্ৰতি জনাই অহা স্পষ্ট আৰু ধাৰাবাহিক সমৰ্থনৰ বাবেও সচিবপ্ৰনাধ গৰাকীক তেওঁ ধন্যবাদ জ্ঞাপন কৰে

0000

ৰাজ্যত বিধানসভা নিৰ্বাচনলৈ কেইমাহমানহে বাকী। বিদ্যালয়-মহাবিদ্যালয়সমূহৰো চূড়ান্ত পৰীক্ষা সমাগত। বৰ্তমান বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰো বতৰ। এই সময়ছোৱাত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি পায়। এই মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, সেইবিষয়ে কাইলৈ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। ৰাজ্যখনৰ এগৰাকী বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° জয়ন্ত দাসে ষ্টুডিঅ'ত থাকি বিভিন্ন প্ৰশ্নকৰ্তাই টেলিফোনযোগে উত্থাপন কৰা সমস্যাৰ নিদান দিব। এই অনুষ্ঠানটোৰ পৰিকল্পনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু উপস্থাপন অৰুণিমা গোস্বামীৰ। প্ৰয়োজনীয় ফোন নম্বৰ দুটি হৈছে – ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫।

ooooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত আজিৰেপৰা কলকাতাৰ ইডেন গাৰ্ডেনছত চলিত শৃংখলাৰ প্ৰথমখন টেষ্ট অনুষ্ঠিত হৈছে। দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। প্ৰথম ইনিংছত দক্ষিণ আফ্ৰিকাই এতিয়ালৈকে ৭ উইকেটৰ বিনিময়ত ১৪৭ ৰান সংগ্ৰহ কৰিছে। দক্ষিণ আফ্ৰিকাৰ হৈ অ'পেনাৰ এইডেন মাৰ্কাৰ্মে ৩১ আৰু উইৱান মৌলদাৰ টনি জৰ্জিয়ে ২৪ ৰানকৈ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা, কুলদীপ যাদৱ আৰু মহম্মদ চিৰাজে দুটাকৈ উইকেট দখল কৰিছে।

ooooooooo

সমাপ্ত